# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 10-01-2025
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

আভ্যন্তৰীণ জলপথ উন্নয়ন পৰিষদৰ আজি কাজিৰঙাত অনুষ্ঠিত দ্বিতীয়খন বৈঠকত এহেজাৰ ৪০০ কোটিতকৈও অধিক টকা ব্যয় সাপেক্ষে অসম তথা দেশৰ আভ্যন্তৰীন জলপথ পৰিবহন খণ্ডৰ কেইবাটাও নতুন প্ৰকল্পৰ শুভাৰম্ভ কৰা হয়। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ অধ্যক্ষতাত অনুষ্ঠিত  বৈঠকত পাণ্ডু জাহাজ মেৰামতি কেন্দ্ৰৰ পৰা পাণ্ডু বন্দৰলৈ সংযোগী পথ, ১৬ নম্বৰ অৰ্থাৎ বৰাক আৰু দুই নম্বৰ অৰ্থাৎ ব্ৰহ্মপুত্ৰ ৰাষ্ট্ৰীয় জলপথত চলাচলৰ বাবে ১২ খন জাহাজ ক্ৰয়, বৰাক নদীৰ বাবে এখন জৰীপ জাহাজ ক্ৰয় আদি বিভিন্ন ঘোষণা কৰা হয়। বৈঠকত লগতে জাহাজ আৰু কৰ্মচাৰী পঞ্জীয়নৰ বাবে ডিজিটেল ইণ্ডিয়া নামৰ কেন্দ্ৰীয় তথ্য সমৃদ্ধ এটা পোৰ্টেল মুকলি কৰা হয়। আজিৰ এই বৈঠকতে ডিব্ৰুগড়ৰ ঐতিহ্য ভৱনৰ পুনৰ্নিৰ্মাণ, আঞ্চলিক উৎকৰ্ষ কেন্দ্ৰ স্থাপন, ৰাজ্যৰ চাৰিটা স্থানত পৰ্যটন টাৰ্মিনেলৰ বিকাশ আদি আন কেইবাটাও প্ৰকল্পত অনুমোদন দিয়া হয়। অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয়, যে বিগত ১০ বছৰত ৰাষ্ট্ৰীয় জলপথসমূহৰ যোগেদি দেশৰ যাতায়াত ব্যৱস্থা উন্নত কৰি তোলা হৈছে। ২০১৪ চনলৈকে দেশত কেৱল ৫টা ৰাষ্ট্ৰীয় জলপথ আছিল বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে পৰৱৰ্তী সময়ত দেশৰ প্ৰতিখন ৰাজ্যৰ নদীসমূহক অধ্যয়ন কৰি বৰ্তমান ৰাষ্ট্ৰীয় জলপথৰ সংখ্যা ১১১ লৈ বৃদ্ধি কৰা হৈছে। বিগত সময়ছোৱাত মালবাহী জাহাজ পৰিবহনৰ ক্ষেত্ৰত ভাৰতৰ অভ্যন্তৰীণ জলপথ  উন্নয়ন পৰিষদে ইতিহাস ৰচনা কৰিবলৈ সক্ষম হৈছে বুলিও সোণোৱালে উল্লেখ কৰে।

অনুষ্ঠানত বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰালয়ৰ ৰাজ্য মন্ত্ৰী শান্তনু ঠাকুৰ, ৰাজ্যৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, অন্ধ্ৰ প্ৰদেশৰ পথ আৰু ভৱন মন্ত্ৰী বি চি জনাৰ্দন ৰেড্ডী, অৰুণাচল প্ৰদেশৰ গ্ৰামোন্নয়ন আৰু পঞ্চায়তীৰাজ মন্ত্ৰী অজিং টেচিংঙকে ধৰি আন কেইবাখনো ৰাজ্যৰ মন্ত্ৰী উপস্থিত থাকে।

ooooo

ওদালগুৰি জিলাৰ ডিমাকুছিৰ দৈমুনগৰ সমন্বয় ক্ষেত্ৰত বড়ো সাহিত্য সভাৰ ৬৪ সংখ্যক অধিৱেশনৰ আজি দ্বিতীয় দিনাৰ কাৰ্যসূচীত অ-বড়ো লোকসকলৰ সৈতে বাৰ্তালাপ, বড়ো ভাষাৰ অনুভৱ, অভিজ্ঞতা, বড়ো ভাষাৰ মৰ্যাদা সম্পৰ্কে এখন আলোচনা চক্ৰ অনুষ্ঠিত হয়। বড়ো সাহিত্য সভাৰ সভাপতি ডঃ সুৰথ নাৰ্জাৰীৰ সঞ্চালনাত হোৱা এই আলোচনা চক্ৰত অসম লোকসেৱা আয়োগৰ অধ্যক্ষ দেৱৰাজ উপাধ্যায়, গুৱাহাটী বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ইছমাইল হুছেইন আৰু বড়ো স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দে' সমল ব্যক্তি হিচাপে

উপস্থিত থাকি তেওঁলোকৰ মতামত আগবঢ়ায়। অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়েও আজি বড়ো সাহিত্য সভাৰ দ্বিতীয় দিনাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই আজি ডিমাকুছি শীৰ্ষক এখন স্মৃতি গ্ৰন্থও উন্মোচন কৰে। আজিৰ কাৰ্যসূচীৰ ভিতৰত আছিল চুবুৰীয়া ৰাষ্ট্ৰ নেপাল আৰু বাংলাদেশৰ লগতে ভাৰতৰ কেইবাখনো ৰাজ্যৰ প্ৰতিনিধিৰ সৈতে সাহিত্য সভাৰ বিশেষ মত বিনিময় অনুষ্ঠানৰ লগতে সাহিত্য অকাডেমী বঁটাপ্ৰাপক নন্দেশ্বৰ দৈমাৰীৰ সঞ্চালনাত এখন কবি সন্মিলন অনুষ্ঠিত হয়।

ooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ে সোণাপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত কচুতলীত  উচ্ছেদ চলোৱাত স্থগিতাদেশ জাৰি কৰিছে। লগতে ন্যায়ালয়ে অহা ২৯ জানুৱাৰীৰ ভিতৰত কচুতলীৰ উচ্ছেদ সন্দৰ্ভত স্থিতি স্পষ্ট কৰি চৰকাৰক এখন শপতনামা দাখিল কৰিবলৈ নিৰ্দেশ দিছে। উল্লেখযোগ্য যোৱা ৩০ ডিচেম্বৰত কামৰূপ মহানগৰ জিলা প্ৰশাসনে ১৫ দিনৰ ভিতৰত স্থান খালী কৰাৰ বাবে কচুতলীৰ একাংশ লোকলৈ জাননী জাৰি কৰিছিল। কিন্তু এই জাননী আইনৰ পৰিপন্থী বুলি সেই লোকসকলে উচ্চ ন্যায়ালয়ত লিখিত আবেদন কৰিছিল। এই আবেদনৰ শুনানীত উচ্চ ন্যায়ালয়ে কচুতলীৰ উচ্ছেদ সন্দৰ্ভত স্থগিতাদেশ জাৰি কৰে।

ooooo

হাইলাকান্দি আৰক্ষীয়ে যোৱা নিশা জিলাখনৰ ভাউৰাৰ ঘাট বজাৰৰ এখন গেলামালৰ দোকানত অভিযান চলাই প্ৰায় ৪৯ হাজাৰ টকা মূল্যৰ জাল ৫০০ টকীয়া নোট আৰু ১৩৮ গ্ৰাম হেৰ'ইন উদ্ধাৰ কৰে। এই সংক্ৰান্তত আৰক্ষীয়ে জামিল হুছেইন লস্কৰ আৰু জাবেদ হুছেইন লস্কৰ নামৰ দুজন লোকক গ্ৰেপ্তাৰ কৰে।

ooooo

ৰাজ্য চৰকাৰে ঘোষণা কৰা কিতাপৰ বৰ্ষৰ কাৰ্যসূচীৰ লগত সংগতি ৰাখি মৰিগাওঁ জিলাত শিক্ষা বিভাগৰ উদ্যোগত বিদ্যালয়সমূহত পুথিভঁড়াল সমৃদ্ধকৰণ অভিযান আজি মুকলি কৰা হয়। শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোৱৰে অনুষ্ঠানৰ শুভাৰম্ভণি কৰি শিশুসকলক পুথি পঢ়ি জ্ঞানৰ ভড়াল চহকী কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত মৰিগাওঁ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক আৰু উপ পৰিদৰ্শকৰ লগতে শতাধিক অভিভাৱক আৰু বিদ্যালয়সমূহৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰত অংশকালীন সংবাদদাতাৰ আবেদন পত্ৰ গ্ৰহণৰ আজি অন্তিম দিন। ডিব্ৰুগড়, ধেমাজি, বিশ্বনাথ, হোজাই, কামৰূপ, বজালী, পশ্চিম কাৰ্বি আংলং আৰু কাছাৰ জিলাৰ আগ্ৰহী প্ৰাৰ্থীসকলে আজিৰ ভিতৰত সম্পূৰ্ণ আবেদন পত্ৰ আকাশবাণী গুৱাহাটী চানমাৰিত থকা কাৰ্যালয়ত নিজ হাতে জমা দিব পাৰিব।

ooooo

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বাতৰি আৰু বাতৰি বিভাগৰ অনুষ্ঠান সম্পৰ্কত শ্ৰোতাসকলে WHATSAPP NO. ৯৮৬৪০-৫৫৫৬৬ যোগে দিয়া অভিযোগ আৰু পৰামৰ্শৰ উত্তৰ দিয়া হ'ব। অনুষ্ঠানটোত ভাগ ল'ব বাতৰি বিভাগৰ জ্যেষ্ঠ পৰিৱেশিকা অৰুণিমা গোস্বামী আৰু বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে। এই অনুষ্ঠানতে ভাৰতীয় গণসংযোগ প্ৰতিষ্ঠান চমুকৈ আই আই এম চিৰ আইজল চৌহদৰ আঞ্চলিক সঞ্চালক ডং

শাশ্বতী গোস্বামীয়েও  বাতৰি সম্পৰ্কত তেওঁৰ মতামত আগবঢ়াব। অনুষ্ঠান চলি থকাৰ সময়ত আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰত ফোন কৰিব পাৰিব।

ooooo

সমাপ্ত